দৈনিক জনমভূমি

গুৱাহাটী সোমবাৰ ২৮ এপ্ৰিল, ২০০৮

চৰকাৰৰ ব্যৰ্থতা

সীমিত আয় আৰু সীমাহীন ব্যয় ক্ৰমাৎ জনজীৱনত এক প্ৰহসন স্বৰূপ হৈছে। ইয়াৰ পৰিপূৰক হিচাপে ক'লাধনৰ প্ৰচলন বৃদ্ধি হৈছে। আজি ক'লাধন জনজীৱনৰ এক অভিশাপ ৰূপে পৰিণত হৈছে। মূল্য বৃদ্ধি আৰু ক'লাধনৰ প্ৰভাৱ উভয়ে একেটা মুদ্ৰাৰ দুই পিঠি। এই ক'লাধনৰ প্ৰভাৱ তৃণমূল পৰ্যায়ৰ পৰা শীৰ্ষ স্তৰলৈ সম্প্ৰসাৰিত হৈছে।

কিছুদিনৰ পৰা সমগ্ৰ দেশতে মূল্য বৃদ্ধিয়ে সামাজিক আৰু অৰ্থনৈতিক দিশত এক প্ৰবল বিপৰ্যয়ৰ সৃষ্টি কৰিছে। এনে ধৰণৰ আকাশলংঘী মূল্যবৃদ্ধি চৰকাৰৰ আগোচৰে হোৱা নাই। চৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ স্বীকৃতি আছেই। সেয়েহে দেশ জুৰি হোৱা আন্দোলনত চৰকাৰে এক নীৰৱ আৰু নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰি আছে। মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা লোৱা নাই। বৰং চৰকাৰৰ পৰা মদত পাই ক্ৰমান্বয়ে ঊৰ্দ্ধগামী হৈ পৰিছে।

২০০৮-০৯ বিত্তীয় বছৰৰ বাজেটখন আছিল এক নিৰ্বাচনমুখী বাজেট। দেশৰ সাধাৰণ জনগণৰ মন মুহিবলৈ বিভিন্ন ধৰণৰ সুবিধা দিয়া হৈছিল। কৃষকসকলে লোৱা ৬০ হাজাৰ কোটি টকাৰ ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কৃষকসকলক এই ঋণ ৰেহাই দিলেও চৰকাৰে সংশ্লিষ্ট ঋণৰ ধনখিনি বেংকক পৰিশোধ কৰিব লাগিব। কেন্দ্ৰীয় বাজেটখন আছিল এখন ঘাটি বাজেট। এনেবোৰ ঘাটিৰ পৰিপূৰক ব্যৱস্থা নাই। ফলত চৰকাৰে উৎসতে সামগ্ৰীৰ মূল্যবৃদ্ধি নীতি গ্ৰহণ কৰিব লগীয়া হ'ল। সামগ্ৰীৰ মূল্যবৃদ্ধি অতি স্বাভাৱিক হৈ পৰিল।

অসম এখন আমদানিকৃত ৰাজ্য। অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ পৰা সকলো ধৰণৰ আধুনিক বিলাসযুক্ত সামগ্ৰী বাহিৰৰ পৰা আমদানি কৰিব লগীয়া হয়। অতি পৰিতাপৰ কথা যে চাউল, দাইল, আটা, ময়দা, আলু, পিঁয়াজ, মিঠাতেল আদি সকলোবোৰ সামগ্ৰী অসমৰ বাহিৰৰ পৰা আমদানি কৰিব লগীয়া হয়। আমাৰ ৰাজ্যখনত যিখিনি সামগ্ৰী উৎপাদন হয়, সেয়া ৰাজ্যবাসীৰ উপভোগ বা ব্যৱহাৰৰ কাৰণে যথেষ্ট নহয়। ৰাজ্যখনত ক্ৰমাৎ উৎপাদন সংস্কৃতিৰ অৱক্ষয় ঘটি আমদানিমুখী হৈ পৰিছে। ৰাজ্য চৰকাৰে উন্নত আৰু বহল দৃষ্টিভংগী লৈ উৎপাদন সংস্কৃতিত বিভিন্ন ধৰণৰে উৎসাহ উদ্দীপনা যোগাব পৰা নাই। ব্যৱসায়ী সমাজ, উদ্যোগ সমাজসমূহৰ ৰাজনৈতিক নেতাসকলৰ লগত অতি মাত্ৰা হলি-গলি— এই কথা কাৰো অবিদিত নহয়। চৰকাৰৰ কাৰ্যক্ৰম বহুতো ক্ষেত্ৰত উক্ত সমাজৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। নিৰ্বাচন বা আন দলীয় কাৰ্যত চৰকাৰক বিভিন্নধৰণে সহায় আগ বঢ়াই চৰকাৰৰ বিষয়ববীয়াসকলক হাতৰ মুঠিত ৰাখে। ফলত ব্যৱসায়ী আৰু উদ্যোগপতিসকলৰ ভূমিকাত চৰকাৰ অসহায় হৈ পৰে। অসমত আমদানিকৃত সামগ্ৰীসমূহ বিভিন্ন ৰাজ্য অতিক্ৰম কৰি আহি গাড়ী ভাৰা, শ্ৰমিক, পৰীক্ষণ চকী, আৰক্ষী আদিক সন্তুষ্ট কৰি আহোঁতে খৰচান্ত হৈ পৰে। এনে কাৰণত সামগ্ৰীৰ মূল্য স্বাভাৱিকতে বৃদ্ধি পায়। অসৎ ব্যৱসায়ীসকলে তাৰ ওপৰত লভ্যাংশ বৃদ্ধি কৰি এক অস্বাভাৱিক দামত সামগ্ৰী বিক্ৰী কৰে। ব্যৱসায়ীসকলে বহুতো ক্ষেত্ৰত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰে। পূৰ্বতে প্ৰশাসন যন্ত্ৰই অভিযান চলাই এনে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে সচেষ্ট হৈছিল। বৰ্তমানে সেয়া হোৱা নাই।

চেৰ্ণবিলৰ দুৰ্ঘটনা

এম ভি ৰামানা

এনে ঘটিব পাৰে বুলি ধৰাই হোৱা নাছিল। পঁচিছ বছৰ পূৰ্বে ইণ্টাৰনেশ্যনেল এটমিক এনাৰ্জি এজেঞ্চিৰ নিৰাপত্তা বিভাগৰ মুৰব্বীগৰাকীয়ে 'বুলেটিন অব্ দি ইণ্টাৰনেশ্যনেল এটমিক এনাৰ্জি এজেঞ্চি' (২৫ জুন, ১৯৮৩)ত প্ৰকাশিত এটা প্ৰবন্ধত দাবী কৰিছিল— '১০০০ টাতকৈয়ো অধিক প্ৰাথমিক চাৰ্কিট ৰিয়েক্টৰৰ ডিজাইনৰ ব্যৱহাৰ হোৱা হেতুকে সিবিলাক অধিক নিৰাপদ হৈ পৰিছে শীতলকাৰক পদাৰ্থ নিৰ্গত হৈ দুৰ্ঘটনাটো ঘটাটো প্ৰায় অসম্ভৱ...

নিৰাপত্তাৰ ক্ষেত্ৰত লোৱা বহুল ব্যৱস্থাই ছোভিয়েট ইউনিয়নৰ পাৰমাণৱিক শক্তি কেন্দ্ৰবোৰৰ নিৰাপত্তা সুদৃঢ় কৰি তুলিছে...'। অথচ ১৯৮৬ চনৰ ২৬ এপ্ৰিলত চেৰ্ণবিল ৰিয়েক্টৰ প্ৰকল্পৰ ৪ নং ইউনিটটোৰ বিস্ফোৰণ ঘটিল। ঘটনাটোৰ গুৰুত্ব হ্ৰাস কৰিবলৈ পাৰমাণৱিক উদ্যোগে যত্ন কৰিলেও বৰ্তমানলৈকে ই আটাইতকৈ ধ্বংসাত্মক ঔদ্যোগিক দুৰ্ঘটনা হিচাপেই গণ্য হৈ আহিছে।

চেৰ্ণবিলৰ ৰিয়েক্টৰটো আছিল তথাকথিত আৰ বি এম কে ডিজাইনৰ। নিৰাপত্তাৰ ক্ষেত্ৰত নঞৰ্থক প্ৰভাৱ পেলাব পৰা কিছুমান বিশেষত্ব আছিল এই ৰিয়েক্টৰটোৰ। চেন্নাইৰ কাষৰ কলপক্কমত থকা ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰটোও এনে বিধৰে। সকলো ধৰণৰ ৰিয়েক্টৰত শীতলকাৰক জুলীয়া পদাৰ্থৰ প্ৰয়োজন হয়। ৰিয়েক্টৰৰ অন্তৰ্ভাগত উৎপন্ন হোৱা তাপ এনে জুলীয়া পদাৰ্থই বহিৰ্ভাগলৈ বহন কৰি আনে। কিছুমান কাৰণত শীতলকাৰক পদাৰ্থৰ প্ৰবাহ হ্ৰাস পোৱাৰ উপৰি ৰিয়েক্টৰৰ শক্তি সামান্যভাৱে বৃদ্ধি পাবও পাৰে। তেনে পৰিস্থিতিত শীতলকাৰক পদাৰ্থবোৰ উতলি গৈ বুৰবুৰণি উঠিব পাৰে। ৰিয়েক্টৰটোৰ যদি যোগাত্মক ভয়ড এফিচিয়েণ্ট থাকে, তেন্তে ইয়াৰ ফলত পাৰমাণৱিক দ্বিভংগন প্ৰক্ৰিয়াৰ হাৰ বৃদ্ধি পাব পাৰে। তদুপৰি বুৰবুৰণিও বেছিকৈ উঠিব পাৰে। আৰ বি এম কে ডিজাইনৰ ৰিয়েক্টৰবোৰত এই বৈশিষ্ট্যটোৰ বাবে হঠাতে শক্তি বৃদ্ধি পোৱাৰ প্ৰৱণতা থাকে।

২৬ এপ্ৰিলৰ দিনা ৰিয়েক্টৰটোৰ চালকসকলে নিৰাপত্তা-সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা চলাওঁতে যথেষ্টভাৱে ইয়াৰ শক্তি বৃদ্ধি পোৱাটো লক্ষ্য কৰিছিল। শক্তিৰ বৃদ্ধিৰ লগতে ইয়াৰ ফলত উৎপন্ন হোৱা তেজস্ক্ৰিয় পদাৰ্থৰ পৰিমাণ আছিল অতি বেছি। বতাহত তেজস্ক্ৰিয় পদাৰ্থবোৰ বহু দূৰলৈকে ভাহি গৈছিল। ক'বলৈ গ'লে উত্তৰ গোলাৰ্ধৰ প্ৰতিখন দেশতে এই পদাৰ্থবোৰ প্ৰৱেশ কৰিছিল। আনকি মুম্বাই আৰু যোধপুৰত থকা ৰেডিয়েশ্যন ডিটেক্টৰটো তেজস্ক্ৰিয় আইচটপৰ পৰিমাণ বৃদ্ধি পোৱাটো ধৰা পৰিছিল।

দুৰ্ঘটনাটোৱে সামাজিক, মনস্তাত্ত্বিক, অৰ্থনৈতিক ক্ষেত্ৰত (কিছুমানৰ মতে ক্ষতিৰ পৰিমাণ ৩ শ বিলিয়ন মাৰ্কিন ডলাৰ) আৰু সৰ্বোপৰি স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। স্বাস্থ্যৰ ক্ষেত্ৰত চকুত পৰা প্ৰভাৱটো হ'ল, অঞ্চলটোত বসবাস কৰা লোকসকলৰ মাজত থাইৰয়েড কেন্‌ছাৰৰ ব্যাপক বৃদ্ধি। আণৱিক বিকিৰণৰ প্ৰভাৱ-সম্পৰ্কে অধ্যয়ন কৰা ৰাষ্ট্ৰসংঘৰ বৈজ্ঞানিক কমিটীখনে ২০০০ চনত ইয়াৰ প্ৰতিবেদনত উল্লেখ কৰিছিল ঃ '(দুৰ্ঘটনাটোত) ক্ষতিগ্ৰস্ত হোৱা দেশ তিনিখনত শিশু অৱস্থাত বিকিৰণৰ প্ৰভাৱ পৰা লোকসকলৰ মাজত থাইৰয়েড কেন্‌ছাৰৰ প্ৰসাৰ (প্ৰায় ১৮০০) পূৰ্বতকৈ যথেষ্ট বেছি। ৰোগটোত আক্ৰান্ত হোৱা লোকৰ সংখ্যা এইছোৱা সময়ত অস্বাভাৱিক ধৰণে বৃদ্ধি পাইছে। বৰ্তমানৰ ধাৰা অব্যাহত থাকিলে বিশেষকৈ ডেকা বয়সত বিকিৰণৰ প্ৰভাৱ পৰাসকলৰ মাজত ইয়াৰ প্ৰসাৰ আৰু বাঢ়িব। বৰ্তমানলৈকে লক্ষ্য কৰা কোনো কাৰণত নিৰ্দিষ্ট এবিধ কেন্‌ছাৰত সৰহ সংখ্যক লোক আক্ৰান্ত হোৱাৰ ই এটা উদাহৰণ।

পাৰমাণৱিক ক্ষেত্ৰখনৰ লোকসকলে স্বাস্থ্যৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়টো এৰাই চলিবলৈ যত্ন কৰি আহিছে। ইণ্টাৰনেশ্যনেল এটমিক এনাৰ্জি এজেঞ্চিয়ে ২০০৫ চনৰ ছেপ্টেম্বৰত এটা প্ৰেছ বিজ্ঞপ্তিত ঘোষণা কৰে যে চেৰ্ণবিলৰ দুৰ্ঘটনাৰ ফলত তেজস্ক্ৰিয় বিকিৰণত ৪ হাজাৰ লোকৰহে মৃত্যু ঘটিব পাৰে। কিন্তু এই হিচাপ যে গভীৰভাৱে বিকিৰণৰ প্ৰভাৱ পৰা অঞ্চলবোৰৰ ক্ষেত্ৰতহে সঁচা হ'ব পাৰে, সেই কথা তেওঁলোকে উল্লেখ কৰা নাই। পোনপটীয়াকৈ ক্ষতিগ্ৰস্ত হোৱা দেশকেইখনৰ উপৰি বিশ্বৰ আন অঞ্চলতো এই বিকিৰণৰ প্ৰভাৱত মৃত্যুৰ মুখত পৰা লোকৰ সংখ্যা এই হিচাপত ধৰা হোৱা নাই।

কেনে পৰিমাণৰ বিকিৰণ ক্ষতিকাৰক হ'ব পাৰে, তাৰ কোনো নিৰ্দিষ্ট সীমা নাই। বৈজ্ঞানিকভাৱে এই কথা সকলোৱে গ্ৰহণ কৰিছে। অতি কম পৰিমাণৰ বিকিৰণতো কেন্‌ছাৰ হোৱাৰ আশংকা থাকে। কম পৰিমাণৰ বিকিৰণৰ ফলত ব্যক্তি বিশেষকৈ কেন্‌ছাৰ হোৱাৰ সম্ভাৱনা কম হ'লেও, বহলভাৱে সৰহসংখ্যক লোকৰ ওপৰত একে মাত্ৰাত পৰা বিকিৰণৰ প্ৰভাৱত ৰোগটোত আক্ৰান্ত হোৱা লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাব পাৰে।

চেৰ্ণবিলৰ দুৰ্ঘটনাটোৰ ফলত সমগ্ৰ বিশ্বতে হোৱা বিকিৰণৰ মাত্ৰা হ'ল ৬ লাখ পাৰছন-এছ ভি। বিকিৰণৰ ফলত কেন্‌ছাৰত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা প্ৰতি এছ ভি বিকিৰণৰ বিপৰীতে প্ৰায় ০.০৩—০.০৬ জন। সেয়েহে ক'ব পাৰি যে উল্লিখিত মাত্ৰাৰ বিকিৰণত অহা দিনবোৰত প্ৰায় ১৮—৩৬ হাজাৰ লোকৰ মৃত্যু ঘটিব। ইণ্টাৰনেশ্যনেল এটমিক এজেঞ্চিয়ে উল্লেখ কৰা ভ্ৰান্ত হিচাপটোতকৈ ই বহুগুণে বেছি। অৱশ্যে চেৰ্ণবিলৰ বিকিৰণৰ লগত সম্পৰ্ক নথকাকৈয়ো লাখ লাখ লোকৰ এই ৰোগত মৃত্যু ঘটি থকা হেতুকে ঘটনাটোৰ ফলত এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যাৰ পৰিসংখ্যা উলিওৱাব পৰা নাযাব। তথাপি দুৰ্ঘটনাটোৰ প্ৰভাৱ থাকিবই।

বিশ্ব জুৰি পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত একধৰণৰ স্থবিৰতাৰ সৃষ্টি কৰা এই দুৰ্ঘটনাটোত এটা ভূমিকা আছে। অৱশ্যে এই ক্ষেত্ৰত এয়ে একমাত্ৰ কাৰণ বুলিব নোৱাৰি। ইউৰোপীয়ান ইউনিয়নত কাৰ্যক্ষম ৰিয়েক্টৰৰ সংখ্যা এই দুৰ্ঘটনাটোৰ ফলত হ্ৰাস পাবলৈ ধৰে। কিন্তু দুৰ্ঘটনাটোৰ বিছ বছৰৰ পাছত, বৰ্তমান পাৰমাণৱিক শক্তিৰ পুনৰুত্থান ঘটোৱাৰ কথা-বতৰা চলিবলৈ ধৰিছে। চেৰ্ণবিলৰ দুৰ্ঘটনাটোৱে ভালেমান কথা চালিজাৰি চাবলৈ আমাক এটা সুযোগ দিছে।

বিদ্যুৎ উৎপাদনৰ সকলো প্ৰযুক্তিবিদ্যাৰ ভিতৰত ব্যাপক দুৰ্ঘটনা ঘটোৱাৰ সম্ভাৱনা নিহিত আছে পাৰমাণৱিক প্ৰযুক্তিত। চেৰ্ণবিলৰ ঘটনাৰ পাছত ৰিয়েক্টৰবোৰৰ নিৰাপত্তা ব্যৱস্থাৰ উন্নতি ঘটিছে যদিও দুৰ্ঘটনা ঘটাব পৰা মূল কাৰণবোৰ কিন্তু একে আছে। সম্ভাব্য দুৰ্ঘটনাৰ বিষয়ে অনুমান কৰি প্ৰয়োজন অনুসাৰে ব্যৱস্থা লোৱাটো এতিয়াও জটিল। ইয়াৰ উপৰি, সৰু-সুৰা ঘটনাবোৰো নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। সেইবাবেই পাৰমাণৱিক ৰিয়েক্টৰবোৰৰ পৰা ডাঙৰ দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা নাই বুলিব নোৱাৰি।

পাৰমাণৱিক শক্তিৰ ওকালতি কৰাসকলে জানে যে সংগত কাৰণতে এনে দুৰ্ঘটনাৰ সম্ভাৱনা-সম্পৰ্কে জনসাধাৰণ সজাগ। সেইবাবেই পাৰমাণৱিক শক্তি নিৰাপদজনক বুলি তেওঁলোকে প্ৰায়ে দোহাৰি থাকে। চেৰ্ণবিলৰ ঘটনাৰ পৰাই দেখা গ'ল যে ছোভিয়েট ইউনিয়নৰ ৰিয়েক্টৰবোৰ নিৰাপদ বুলি কৰা ঘোষণাটো শুদ্ধ নাছিল। এই ক্ষেত্ৰত বৰ্তমানে দিয়া নিশ্চিতিও ভুল প্ৰমাণিত হ'ব পাৰে আৰু সেয়ে ইয়াক বিশ্বাসত ল'ব নোৱাৰি। ইয়াৰ অৰ্থ এয়ে যে পাৰমাণৱিক ৰিয়েক্টৰৰ নিৰাপত্তা ব্যৱস্থা, বাস্তৱতে ঘটা বা আগলৈ ঘটিব পৰা কোনো দুৰ্ঘটনা আৰু ইয়াৰ ফলত স্বাস্থ্যৰ ওপৰত পৰিব পৰা প্ৰভাৱ-সম্পৰ্কে পাৰমাণৱিক প্ৰকল্পবোৰৰ লগত জড়িত নথকা ব্যক্তি অথবা সংগঠনেহে মূল্যায়ন কৰা উচিত। ভাৰতৰ অসামৰিক পাৰমাণৱিক প্ৰকল্পবোৰৰ নিৰাপত্তাৰ দিশটো চোৱা-চিতাৰ বাবে থকা এটমিক এনাৰ্জি ৰেগুলেটৰি ব'ৰ্ডখন স্বতন্ত্ৰ নহয়, ই আণৱিক শক্তি বিভাগৰ অধীন।

চেৰ্ণবিলত শিকিব লগা আন এটা কথা হ'ল, কোনো পাৰমাণৱিক প্ৰকল্পত দুৰ্ঘটনা ঘটিলে তাৰ বিৱৰণ আৰু ইয়াৰ ফলত পৰিব পৰা প্ৰভাৱ-সম্পৰ্কে যথাযথ সোনকালে মুকলিকৈ জনোৱা উচিত। কিন্তু ইয়াৰ বিপৰীতে ছোভিয়েট কৰ্তৃপক্ষই দুৰ্ঘটনাটোৰ পাছত অতি গোপনীয়তা বজাই ৰখাটো দেখা গৈছিল। ইয়াৰ ফলত হাজাৰ হাজাৰ লোকে কেন্‌ছাৰ আৰু আন দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিব লগীয়া হ'ল। অৱশ্যে কথাটো কেৱল ছোভিয়েট চৰকাৰৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়, ভাৰতকে ধৰি বিশ্বৰ সকলোবোৰ পাৰমাণৱিক প্ৰকল্পই অতি গোপনভাৱে কাম-কাজ কৰে।

এই সকলোবোৰ চালিজাৰি চালে প্ৰশ্ন উঠিব; পাৰমাণৱিক শক্তিৰ ওপৰত দি অহা গুৰুত্ব আৰু ইয়াৰ অধিক প্ৰসাৰণৰ ক্ষেত্ৰত বিশ্বই চেৰ্ণবিলৰ পৰা কি শিকিব পাৰে? পাৰমাণৱিক শক্তিৰ ভৱিষ্যৎ ভালেমান বিষয়ত নিৰ্ভৰশীল; পৰিৱেশগত গ্ৰহণযোগ্যতা, অৰ্থনীতি, নৈতিকতা, আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা আৰু বিপদহীনতা হৈছে তেনে কিছুমান বিষয়। এই বিষয়বোৰ বিতৰ্কিত আৰু আগলৈকো এইবিলাকৰ ক্ষেত্ৰত বিতৰ্ক হৈ থাকিব। এই ক্ষেত্ৰত অনুসৰণ কৰিব পৰা এটা নীতি হৈছে সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াটো গণতান্ত্ৰিক কৰা। চেৰ্ণবিলে আমাক দেখুৱালে যে পাৰমাণৱিক প্ৰযুক্তিয়ে বিশ্বৰ চৌপাশৰ সকলো লোককে বিপদত পেলাব পাৰে আৰু পাৰমাণৱিক শক্তি-সম্পৰ্কত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত বিষয়টো বুজি-বাজি চালি-জাৰি চাই সকলোৱে মতামত দিয়াটো এটা পূৰ্বচৰ্ত।

***(ৰামানা বাংগালোৰৰ চেণ্টাৰ ফৰ ইণ্টাৰডিছিপ্লিনেৰি ষ্টাডিজ ইন এনভাইৰনমেণ্ট এণ্ড ডেভেলপমেণ্টৰ জ্যেষ্ঠ অধি সদস্য। ই-মেইল ঃ** ramana@isec.ac.in)*

সম্পাদকলৈ চিঠি

(মতামতৰ বাবে সম্পাদক দায়ী নহয়)

নৈ, বান্ধ আৰু নৈপৰীয়া মানুহ

আয়োজকসকলে এক অনুপম প্ৰাসংগিক নামেৰে আয়োজন কৰিলে অনুষ্ঠানটোৰ। শিল্পীপ্ৰাণ নন্দ প্ৰসাদ শইকীয়া দ্বিতীয় স্মাৰক বক্তৃতা। শিৱসাগৰ জিলাৰ আমগুৰি নাট্য মন্দিৰত যোৱা ১০ এপ্ৰিল তাৰিখে। বিষয় ঃ নৈ, বান্ধ আৰু নৈপৰীয়া মানুহ।

সোমায়েই সন্মুখৰ আসনলৈ চালোঁ বহি আছে চন্দ্ৰ ভুঞা ছাৰৰ কাষত সোমেশ্বৰ কাকতী ছাৰ, ড° ভোলা গগৈ ছাৰ, থানেশ্বৰ বড়া, ডিম্বেশ্বৰ শইকীয়া, ধনদা মাহীদেউ, আব্দুল জাব্বাৰ, উমা ফুকন দদাইদেউ, কুঞ্জলতা চুতীয়া বাইদেউ। অনুষ্ঠানটোত উপস্থিত হৈ উপলব্ধি কৰিলোঁ সভ্যতা গঢ়া, সভ্যতা ভঙা নদীৰ কাহিনী। মনত পৰিল নদীৰ শুকান বালিচৰলৈ আৰু ফেনে ফোটোকাৰে বাঢ়ি অহা নৈবোৰলৈ। যিবোৰ কথা হয়তো জীৱনত জানিবলৈ নাপালোঁহেঁতেন। সঁচা কথা ক'বলৈ গ'লে নৈ, বান্ধ আৰু নৈপৰীয়া মানুহৰ বিষয়ে বহুতো কথাই জনা নাছিলোঁ। সেই কাৰণেই আয়োজকসকলক ইমানকৈ ধন্যবাদ জনাবলৈ ভাল পাইছোঁ।

বক্তৃতা অনুষ্ঠানটোৰ সভাপতিৰ আসন অলংকৃত কৰিলে কবি কমল কছাৰীয়ে। সভাত সম্বৰ্ধনা জনালে শিল্পী জীৱেশ্বৰ গগৈ, অতুল গগৈ আৰু সাংবাদিক প্ৰদীপ দত্তক। ছপা আখৰৰ আদৰণী ভাষণ পাঠ কৰিলে আয়োজক সমিতিৰ সভাপতি দুলাল ফুকনে, ফকৰা-যোজনাৰে সমৃদ্ধ আদৰণী ভাষণ পাঠে সমজুৱাৰ মাজত নতুন আশা আৰু বাৰ্তা দিবলৈ সক্ষম হ'ল। বক্তৃতা প্ৰদান কৰিলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° সুশীল গোস্বামীয়ে। অৰুণাচলৰ দিবাং নদীৰ বান্ধৰ পৰা দেশৰ বিভিন্ন প্ৰান্তৰ বান্ধৰ বিষয়ে অৱগত কৰিলে মঞ্চৰ ওপৰত সজাই দিয়া ডকুমেণ্টৰিৰ পৰ্দাত। বৰ্ণনা কৰিলে বান্ধৰ পৰা হ'ব পৰা উপকাৰ-অপকাৰৰ কথা। নদীয়ে কেনেকৈ নদীক গ্ৰাস কৰে, বান্ধে কেনেকৈ নৈপৰীয়াৰ বিপদ ঘটায়। কেতিয়াবা কেৱল নদীৰ পাৰৰ মানুহৰ উপৰি দূৰৰ মানহৰ পথাৰ সমাৰো প্লাৱিত কৰে— বুজাই দিলে সুন্দৰকৈ।

বিষয়টো সন্দৰ্ভত বিশ্লেষণ কৰিলে সাংবাদিক ইকবাল আহমদে। এনে এক সময় উপযোগী বিষয় সম্পৰ্কে সম্যক ধাৰণা দিয়াৰ বাবে ধন্যবাদ জনালে স্মাৰক বক্তৃতাৰ বক্তা সুশীল গোস্বামীক শ্ৰদ্ধাৰে। নৈ, বান্ধ আৰু নৈপৰীয়া মানুহ— এই বিষয়টোৰ সন্দৰ্ভত প্ৰশ্ন সুধিলে ড° ভোলা গগৈ আৰু সাংবাদিক মৃগাংক কৃষ্ণ গগৈয়ে। সৰলকৈ বুজাই দিলে গোস্বামী ডাঙৰীয়াই। অকণো লৰচৰ নকৰাকৈ নৰমী কোঁৱৰ শইকীয়া বাইদেৱে স্মৃতি ৰোমন্থন কৰিলে স্বামী নন্দ প্ৰসাদ শইকীয়াৰ কথা সভাঘৰৰ মাজৰ শাৰীৰ চকীত বহি। হয়তো মনত পেলালে তাঁতীশালৰ স্কুলৰ কথা আৰু আমগুৰি নগৰৰ মাজ মজিয়াৰ সেই টাইপ ৰাইটিং স্কুলখনৰ পৰিচালিকা হোৱা দিনবোৰ। কাষতে সেই দিনা সভাত বহি আছিল বাইদেউৰ ভাতৃ তুলসী কোঁৱৰ। এজন নীৰৱ কৰ্মী।

আমাৰ কাষতে বহি আছিল লেখিকা নৱনীতা গগৈ। সভা ভংগৰ অলপ আগতেই ক'লে 'দাদা ভাল লাগিছিল কিন্তু এওঁৰ বাবেই অলপ সোনকালে যাব লগা হৈছে। মানে লগত আছিল চাৰি বছৰীয়া পুত্ৰ। অৰ্থাৎ 'যাওঁ বলা, যাওঁ বলা'। আমাৰ পিছৰ শাৰীত আছিল সংগীত শিল্পী ৰীতা দাস, কবি তোযেশ্বৰী নেওগ ফুকন, মীৰা গগৈ, চম্পা শেনচোৱা। প্ৰায়বোৰ এনেকুৱা অনুষ্ঠানত তেখেতসকল উপস্থিত থকাৰ পৰা বিৰত নহয়। এবাৰ লক্ষ্য কৰিলোঁ মঞ্চলৈ স্থিৰ দৃষ্টি নিক্ষেপ কৰি কথাবোৰ শুনি আছিল আমগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষা মিনতি চুতীয়াই। ব্যস্ততাৰ মাজতো এনেবোৰ অনুষ্ঠানত ভাগ লোৱা দেখা পাওঁ অধ্যক্ষাগৰাকীক। আব্দুল গফুৰ আহমদ, প্ৰাঞ্জল প্ৰতিম বৰা, হেমন্ত বৰা, চাজিদা বেগম, পাপৰি বৰা তেখেতসকল ব্যস্ত আছিল অতিথিক আদৰণি আৰু অভ্যৰ্থনাৰ কামত।

এইবাৰ আহোঁ হৃদয় ভৰা আশীৰ্বাদ আৰু মৰম সুলভ উপস্থিতি কামনা কৰি লিখা এখন চিঠিৰ কথা। শিল্প প্ৰকাশন শিৱসাগৰৰ জয়জ্যোতি গগৈৰ চিঠি। সেই একেখন সভাতে একে তাৰিখতে অনুষ্ঠিত হ'ব হেমন্ত কুমাৰ বৰাৰ কবিতা পুথি 'মোৰ ডায়েৰী পঢ়ি ভাল পোৱা ছোৱালীজনী'। হেমন্তৰ কবিতা পুথিখনৰ আগ কথাতেই আছে, 'যদি তোৰ ডাক কেউ শুনেনো তবে একলা চলৰে' সেয়াই হয়তো তেওঁৰ সাহস। ধন্যবাদ হেমন্ত।

শিল্পীপ্ৰাণ জনাৰ কৰ্মময় জীৱন সম্পৰ্কে ছপা আখৰত খতিয়ান লিখি বিলাই দিলে সোমেশ্বৰ কাকতী ছাৰে। সভা ভংগ কৰি হলৰ পৰা ওলাই আহোঁতেই কাকতী ছাৰক ক'লোঁ ছাৰ আজি আপোনাৰ হাঁহিটো শুনিবলৈ নাপালোঁযে? মাজতে এজনে ক'লে হৈ গ'ল দুবাৰমান। তুমি দেৰিকৈ আহিলা। শেষত ইয়াকে কওঁ শিল্পীপ্ৰাণ নন্দ প্ৰসাদ শইকীয়া এতিয়া ৰাজহুৱা হ'ল। যিসকলৰ উদ্যম অনুপ্ৰেৰণাত এই কাৰ্য সম্ভৱ হৈ উঠিল, তেখেতসকললৈ থাকিল প্ৰণাম।

মহেন কোঁৱৰ,
ম'ৰাবজাৰ, শিৱসাগৰ।

মৌলবাদী শিক্ষাৰ স্বৰূপ

১০ মাৰ্চত প্ৰকাশিত বৰ্ণালী বৰুৱা দাসে লিখা 'মৌলবাদী শিক্ষাৰ স্বৰূপ' শীৰ্ষক লেখাটোৰ লগত আমি সম্পূৰ্ণ একমত হ'ব নোৱাৰিলোঁ। প্ৰথমে কওঁ— মৌলবাদ শব্দটোৰ মতে, যি মূলত ধৰি থাকে বা মূল আদৰ্শত বিশ্বাসী। 'সৰ্বে ভৱন্তু সুখীনঃ', 'বসুধৈৱ কুটুম্বকম', 'জননী জন্মভূমিস্ব স্বৰ্গাদপি গৰীয়সী'— হিন্দুৰ মৌলিক চিন্তন। গতিকে সেই চিন্তন ধৰি থকাসকল হিন্দু মৌলবাদী। এনে হিন্দু মৌলবাদীক বৰুৱাই প্ৰতিহত কৰাৰ কথা কৈছে কিহৰ প্ৰৰোচনাত? খ্ৰীষ্টান মতাৱলম্বীয়ে য'তেই প্ৰৱেশ কৰিছে, তাতেই ৰক্তাক্ত সংঘৰ্ষ হৈছে— সেয়া নগা পাহাৰ, কাৰ্বি আংলং, মিজোৰাম, ত্ৰিপুৰা বা ভৈয়ামৰ চাহ জনগোষ্ঠী, যিয়েই নকওক কিয়? তথাপি বৰুৱাই সেইবোৰৰ বিৰুদ্ধে এষাৰ নামাতে? ভাৰতৰ গৃহ মন্ত্ৰালয় মাদ্ৰাছাৰ শিক্ষাক লৈ উদ্বিগ্ন, মিছনেৰীৰ শিক্ষাক লৈ চিন্তিত।

বৰুৱাই লিখিছে—'ভাৰতত হিন্দু মৌলবাদক প্ৰতিহত কৰাৰ জৰিয়তেহে মুছলিম মৌলবাদ ৰোধ কৰিব পৰা যাব। কাৰণ ঐতিহাসিক বিশ্লেষণে কয় যে ভাৰতত সংখ্যাগৰিষ্ঠ হিন্দুৰ ওচৰত নিৰাপত্তাহীনতাহে মুছলিম মৌলবাদৰ জন্মৰ কাৰণ। আপোনাৰ প্ৰথম বাক্যটো ভুল বুলি ইতিহাসে প্ৰমাণ কৰি দিছে। গান্ধীজীয়ে অনৱৰত হিন্দু মৌলবাদক ৰোধ কৰিবলৈ চেষ্টা কৰিছিল। বৰং তেখেত কংগ্ৰেছলৈ অহাৰ পৰা মুছলিম-তোষণ নীতি আৰম্ভ হৈছিল বুলিলে অত্যুক্তি কৰা নহ'ব। তথাপি একমাত্ৰ মুছলিম লীগৰ সংকীৰ্ণ মনোভাব আৰু গান্ধীজীৰ দৰে হিন্দু মৌলবাদক ৰোধ কৰোঁতাসকলৰ বাবে দেশখন তিনিভাগ হৈ দুভাগ মুছলমানে নিলে। ইতিহাসৰ ক'ত লিখা আছে যে মুছলমানসকল শংকিত হৈ মৌলবাদী হৈছিল বুলি? ১৯০৬ চনত মুছলীম লীগৰ জন্ম হৈছিল ১৯২৫ চনত আৰ এছ এছৰ জন্ম হ'ব বুলি আগতীয়াকৈ গম পাই হে নেকি? ইতিহাসৰ কেইজনমান হিন্দু ৰজাৰ নাম কওক বা কংগ্ৰেছ নেতাৰ নাম উল্লেখ কৰকচোন, যাৰ বাবে মুছলমানসকল শংকিত হৈছিল?

গণতান্ত্ৰিক দেশ এখনত 'সংখ্যাগৰিষ্ঠৰ সাম্প্ৰদায়িকতা' শব্দ প্ৰকৃততে ভুল। দেশখনৰ সংখ্যাগৰিষ্ঠৰ ইচ্ছানুসৰি চৰকাৰ গঠন হ'ব বা দেশখন চলিব। ভাৰতৰ গৰিষ্ঠসংখ্যক হিন্দুৰ জনমানসক উপেক্ষা কৰি সংখ্যালঘুৰ ইচ্ছানুসৰি দেশখন চলিব লাগিলে গণতন্ত্ৰ বাছি থাকিবনে? সংখ্যালঘু বা মুছলিম মৌলবাদে এতিয়ালৈকে আমাৰ দেশৰ দুভাগ ভূমি বিচ্ছিন্ন কৰি লৈ গ'ল, অৱশিষ্ট ভাৰতৰ ওপৰত আক্ৰমণ চলিয়েই আছে, লাখ লাখ হিন্দুক হত্যা কৰিলে। এতিয়াও সেই মুছলিম মৌলবাদীৰ বিচ্ছিন্নতাবাদী, সন্ত্ৰাসবাদী কাৰ্যকলাপ চলিয়েই আছিছে। এতিয়া তাৰ বিৰুদ্ধে জনগণক সজাগ কৰিবৰ হ'ল। হিন্দু মৌলবাদীৰ উত্থানত বৰুৱা শংকিত হ'ব নালাগে। আমাৰ দেশত তথাকথিত ছেকুলাৰ, বামপন্থী, বুদ্ধিজীৱীৰ বিয়াগোম ফৌজ এটাই অহৰহ হিন্দু মৌলবাদক ডিঙি চেপি ধৰাৰ কাম কৰিয়েই আছে। মুছলিম মৌলবাদৰ বিৰুদ্ধে লিখিবলৈহে কোনো বুদ্ধিজীৱীৰ সাহস নাই। কাৰণ সকলোৱে তছলিমা নাছৰিণ, ছলমান ৰুশ্বদিৰ অৱস্থাটো দেখিছেই নহয়।

বৰুৱাই ভাৰতীয় সভ্যতাৰ ক্ৰমবিকাশৰ যি সংক্ষিপ্ত ইতিহাস লিখিলে, সেইবোৰ কমিউনিষ্ট পাৰ্টীৰ চিন্তা-ধাৰাৰ লগত মিলি যোৱা। কমিউনিষ্ট চিন্তা-ধাৰাৰে পুষ্ট মানুহে ইতিহাসকো বিকৃত কৰি লিখিলে তাত আমি আচৰিত নহওঁ। আচৰিত হৈছোঁ, বৰুৱাই তেওঁলোকৰ উদ্ধৃতি দি লিখাৰ পাছতো নিজকে নিৰপেক্ষ বুলি ভাবে কেনেকৈ?

তেখেতে লিখিছে— 'তাৰ বিপৰীতে যি শিক্ষাই ঐতিহ্য-প্ৰীতিৰ নামত মানুহৰ মাজত বিভেদ আনে, একেখন দেশৰে এচামক শত্ৰু তথা দ্বিতীয় শ্ৰেণীৰ নাগৰিক জ্ঞান কৰে, তাকে আমি মৌলবাদী আখ্যা দিওঁ।' বৰ ভাল কথা। কমিউনিষ্টসকলে যে ধনী আৰু দুখীয়াৰ নামত সমাজক দুটা ভাগ কৰি এচামক শত্ৰুৰ দৰে জ্ঞান কৰে তাক তেওঁ মৌলবাদী বুলি কয়নে? বিদ্যাভাৰতীৰ শিক্ষাই সমাজত বিভেদ আনিব পৰা আমি কোনো পাঠ পঢ়িবলৈ পোৱা নাই। বৰুৱাই ক'ত ক'ত পাইছে অনুগ্ৰহ কৰি জনাব বুলি আশা ৰাখিলোঁ।

অমৰজিৎ দাস
প্ৰতাপ সোণোৱাল
অলক গগৈ
কছাৰী গাঁও, নাহৰকটীয়া।

গধূলিও চিকিৎসালয়ত চিকিৎসক

অসমৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই কিছু নতুন নতুন আঁচনি প্ৰৱৰ্তনৰ জৰিয়তে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন বিপ্লৱৰ সূচনা কৰিবলৈ যত্ন কৰিছে। ই নিশ্চয় স্বাস্থ্য সেৱাৰ দিশত এক উল্লেখনীয় পদক্ষেপ। কাকতৰ জৰিয়তে জানিব পাৰিছোঁ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই প্ৰাইভেট নাৰ্ছিংহ'মক নাকী লগোৱা উদ্দেশ্যে বিহুৰ পাছতেই ৫২খন নাৰ্ছিংহ'ম বন্ধ কৰা হুমকি দিছে। এয়া চৰকাৰী চিকিৎসালয়বোৰক সবল কৰিবলৈ লোৱা এক সৎ প্ৰচেষ্টাৰেই অংশ নিশ্চয়। বেচৰকাৰী নাৰ্ছিংহ'মবোৰ বন্ধ কৰিলেই সমস্যা শেষ হৈ নাযায়। চৰকাৰী চিকিৎসালয়ৰ দ্বাৰা ৰোগীয়ে সঠিক সুবিধা পাইছেনে নাই, ৰোগীৰ প্ৰয়োজনীয় দৰব-পাতি চিকিৎসালয়বোৰত মজুত থাকে নে নাই, চিকিৎসকে ৰোগীক ঠিকমতে চোৱা-চিতা কৰে নে নকৰে— এই সকলো দিশত ৰোগী আস্থাভাজন হ'লেহে চৰকাৰী চিকিৎসালয়ৰ প্ৰতি ৰোগীৰ আকৰ্ষণ বাঢ়িব। স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই বোধ হয় কাকতৰ জৰিয়তে জানিব পাৰিছে চৰকাৰী চিকিৎসালয়ত প্ৰয়োজনীয় যন্ত্ৰ-পাতি, দৰবৰ অভাৱ বা চিকিৎসকৰ অৱহেলা বাবেই সময়ে সময়ে বহু প্ৰসূতি ৰোগী বা অন্যান্য ৰোগীৰ মৃত্যু ঘটিছে। কিহৰ দোষত এনে হৈছে তাৰ হিচাপ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই ৰাখিছেনে? শেহতীয়াকৈ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই অন্য এক অভিনৱ পদ্ধতিৰে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। শ্ৰমিক আৰু কৰ্মজীৱী লোকসকলৰ কাৰণে ৰাতিও চৰকাৰী চিকিৎসালয়ত চিকিৎসক থাকিব লাগিব বুলি পৰীক্ষামূলক যি নীতি প্ৰৱৰ্তন কৰিবলৈ লৈছে ই কিমানদূৰ সফল হয়, তাক সময়েহে উত্তৰ দিব। আমাৰ বোধেৰে শ্ৰমিক-কৰ্মজীৱীসকলৰ কাৰণে ৰাতি চিকিৎসা সেৱা ব্যৱস্থা কৰাটো কিবা প্ৰয়োজনীয়তা আছে বুলি নাভাবোঁ। বেমাৰৰ কাৰণে জানো কিবা সময়ৰৰ কথা আছে? কাৰোবাৰ বেমাৰ হ'লে কাম খতি কৰি হ'লেও চিকিৎসকৰ কাষ চাপিব। মিছাকৈ শ্ৰমিক-কৰ্মচাৰীৰ চিকিৎসাৰ নামত বেলেগে চিকিৎসক নিয়োগ কৰি এসোপামান পইচা হানি কৰা কিবা অৰ্থ আছে জানো? আমি স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাওঁ এনে লোকসকলৰ চিকিৎসাৰ কাৰণে সপ্তাহৰ কোনোবা এটা বাৰতে চিকিৎসক নিয়োগ কৰি ৰোগীৰ চিকিৎসা ব্যৱস্থা কৰাওক। এই ব্যৱস্থাই নিশ্চয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ উদ্দেশ্য সফল হোৱাত সহায় কৰিব।

মুকুট কে চি ফুকন,
গড়াজান উচ্চতৰ মাধ্যমিক
বিদ্যালয়, বৰহোলা।

সম্ভাৱনাময় ক্ষেত্ৰ

সমাজখনৰ হিতৰ অৰ্থে গভীৰ চিন্তাৰ নানান গঠনমূলক দিহা সামৰি সংবাদ-পত্ৰত লিখা সম্পাদকীয়বিলাক আন্তৰিকতাৰে গ্ৰহণ কৰিলে অনেক দিশৰ প্ৰগতিত যথেষ্ট সহায়ক হয়। এই ক্ষেত্ৰত কেৱল চৰকাৰেই নহয়, বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান তথা সচেতন মহলৰ তৰফৰ পৰাও সমভিত্তিৰে গুৰুত্ব দিয়া প্ৰয়োজন। চাৰি এপ্ৰিলৰ দৈনিক জনমভূমিত লিখা 'সম্ভাৱনাময় ক্ষেত্ৰ' নামৰ সম্পাদকীয়ত থলুৱাভাৱে উৎপাদিত তথা সহজলভ্য ফল-মূল, পাচলিৰ পৰা কেনেভাৱে সোৱাদযুক্ত খাদ্য তৈয়াৰ কৰি ব্যৱহাৰ কৰিব পৰা হয় আৰু এনে কৰিলে বৰ্তমানে দেখা দিয়া ভয়াৱহ নিবনুৱা সমস্যা লাঘৱ হোৱাৰ লগতে অৰ্থনৈতিক দিশ সবল হোৱাত যে বিশেষভাৱে সহায়ক হ'ব, তাৰ প্ৰতি আভাস দি স্পষ্ট মত দাঙি ধৰিছে। চৰকাৰে কৃষি বিভাগৰ জৰিয়তে প্ৰতিখন জিলা আৰু প্ৰতিটো মহকুমাৰ নগৰ-চহৰ, গাঁও অঞ্চল সামৰি মাজে-সময়ে এনে সম্পদবিলাক তৈয়াৰ কৰাৰ পদ্ধতি, উপকাৰিতা আদিৰ বিষয়ে ৰাইজক অৱগত কৰিবলৈ প্ৰশিক্ষণ শিবিৰ একোটা মুকলি কৰি উৎসাহ যোগালে বহুজন উপকৃত হ'ব নিশ্চিতভাৱে। বৰ্তমান চাকৰিৰ আশা অনেকে বাদ দি সৰু-বৰ ব্যৱসায় কৰাত আত্মনিয়োগ কৰা আমি সকলোৱে মন কৰিছোঁ। ই শুভ লক্ষণ। উৎসাহ আৰু অন্যভাৱে সহায়-সহযোগ পালে আৰু দুগুণ উদ্যমেৰে এই ক্ষেত্ৰত অগ্ৰসৰ হ'ব পাৰিব নিবনুৱাসকল। আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত খাদ্য সামগ্ৰীৰ চাহিদা আৰু আদৰ মেলাবিলাকেই প্ৰমাণ দিয়ে। এখন বহল ক্ষেত্ৰ আছে, পথ প্ৰদৰ্শক আৰু সহায়-সহযোগত বৃহৎ লগতে ক্ষুদ্ৰ উদ্যোগ এটা মুকলি কৰাত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিলে নিশ্চয় সুফল পোৱা যাব। উৎপাদিত সামগ্ৰীবিলাক দীৰ্ঘদিন ধৰি ভালে ৰাখিবৰ বাবে অঞ্চলে অঞ্চলে শীত-তাপ নিয়ন্ত্ৰিত সংৰক্ষণ কেন্দ্ৰ মুকলি কৰাত চৰকাৰে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰক। কৃষকসকলো উপকৃত হ'ব। অন্য ৰাজ্যৰ দৰে আমাৰ ৰাজ্যতো উৎপাদিত খাদ্য সামগ্ৰীয়ে যে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিব পাৰিব তাত কাৰো দ্বিমত থাকিব নোৱাৰে; মাথোঁ প্ৰয়োজন চৰকাৰী আঁচনিৰ বাস্তৱ ৰূপ।

নিৰোদ কুমাৰ গোস্বামী,
গোলাঘাট।

ডিগবৈত খুচুৰা পইচাৰ নাটনি

ভাৰত চৰকাৰ অথবা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কোনো নিষেধাজ্ঞা নথকা সত্ত্বেও বজাৰত এতিয়া ৫০ পইচা, ২৫ পইচা ব্যৱসায়ী অথবা গ্ৰাহকে ল'ব নিবিচাৰে। আনকি এটকা, দুটকা মূল্যৰ টকাও কিছুমানে ল'ব নিবিচাৰে। আনহাতে বৰ্তমান বেংকবোৰেও গ্ৰাহকক ডাঙৰ ডাঙৰ টকাৰ দ্বাৰা বিদায় দিব বিচাৰে। বৰ্তমান সৰু টকাৰ অৰ্থাৎ কম মূল্যৰ টকা, যেনে— পাঁচ টকা, দহ টকা, বিছ টকা, পঞ্চাছ টকাৰ এক নাটনিয়ে দেখা দিছে। এনে নাটনি সঁচাকৈয়ে হৈছে নে জানি-শুনি কোনো দুষ্টচক্ৰৰ কবলত পৰি কোনোবাই কৰি লৈছে? বেংকৰ কৰ্মচাৰীক সৰু মূল্যৰ টকা বিচাৰিলে আপুনি উত্তৰ পাব, 'নাই।' জানিব পৰা মতে, কোনো কোনো বেংকৰ কিছুসংখ্যক কৰ্মচাৰী, বিষয়াই এই ক্ষেত্ৰত কিছুমান ব্যৱসায়ীৰ সৈতে হাত মিলাই তেওঁলোকক সহায় কৰি আহিছে। এনে নাটনি কিন্তু গুৱাহাটীত বা ভাৰতৰ আন আন ঠাইত নাই বুলি গম লৈ জানিছোঁ। আনহাতে চৰকাৰৰ ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠানবোৰৰ কিছুমান বিষয়া-কৰ্মচাৰীৰ কাম-কাজৰো বহু অভিযোগ শুনা যায়। নিজৰ টকাকেইটা উলিয়াবলৈ গ্ৰাহকে ঘণ্টা ঘণ্টা অপেক্ষা কৰিব লগা হয়, কোনো এটা বিষয় জানিবলৈ বহু গ্ৰাহকে এখন টেবুলৰ পৰা আনখন টেবুল ঘূৰি ঘূৰি উত্তৰ পায়— পাছত আহিব, কৰ্মচাৰী নাই, ফৰ্ম নাই ইত্যাদি। বেংক পৰিচালকৰ গ্ৰাহকৰ অসুবিধাবোৰ চাবলৈ আজৰি নাই। এনে অসুবিধাবোৰ দূৰ কৰিবলৈ আমি জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বেংক কৰ্তৃপক্ষক আহবান জনালোঁ।

নিখিল বৰকটকী,
ডিগবৈ।